**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

—————————————————

সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে। শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰিব। নিজৰ সমৰ্পণ আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে শিক্ষাৰ মান উন্নত কৰা আৰু শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্বীকৃতি স্বৰূপে এই বাৰ্ষিক বঁটা প্ৰদান কৰা হয়। এইবাৰ দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হ'ব। ইয়াৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষক আছে। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা অঞ্চল নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে এই সন্মানীয় কৃতী শিক্ষক বঁটাৰ বাবে বাছনি লাভ কৰিছে।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি ৰাজ্যিক কৃতী শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। এই অনুষ্ঠানতে NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা, শিক্ষা সেতু এপত বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰববী আৰু মহাবিদ্যালয় তথা পলিটেকনিকৰ পেটেণ্ট লাভ কৰা শিক্ষকসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হ'ব।

শিক্ষক দিৱসৰ পৱিত্ৰ দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিদ্বান, মনিষী তথা শিক্ষাবিদ ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ লগতে প্ৰতিগৰাকী শিক্ষাগুৰুক শিক্ষক দিৱসৰ ওলগ জনায়।

000000

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি যোৰহাটত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। যোৰহাটৰ হাতীগড় চন্দ্ৰ গোস্বামী আধাৰ সত্ৰত শিক্ষক দিৱসৰ কাৰ্যসূচীত ৰাজ্যপালগৰাকীয়ে অংশ ল'ব। ইয়াৰ পাছত তেওঁ ২০ নম্বৰ গোসাঁই ফেচুৱাল গাঁও পঞ্চায়তৰ হোলোঙাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অমৃত সৰোবৰ ৰাইজৰ নামত উৎসৰ্গা কৰিব আৰু চিনামৰা চাহ বাগিচা চিকিৎসালয়ত সজাগতামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

000000

ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক প্ৰয়াত কেশৱানন্দ দেৱগোস্বামীৰ পৰিয়ালৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি পত্ৰ স্বাক্ষৰিত হয়। এই চুক্তি পত্ৰ অনুসৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰই কেশৱানন্দ দেৱ গোস্বামীৰ ব্যক্তিগত পুথিভঁৰালৰ পৰা গ্ৰন্থৰাজিসমূহ সংৰক্ষণ আৰু গৱেষণাৰ বাবে ব্যৱহাৰ আৰু ব্যৱস্থা কৰিব পাৰিব। সত্ৰীয়া সংস্কৃতিৰ পণ্ডিত তথা শিক্ষাবিদগৰাকীৰ জীৱনকালত সংৰক্ষণ কৰি ৰখা মূল্যবান গ্ৰন্থসমূহে ছাত্ৰ-ছাত্ৰী, গৱেষকৰ বাবে মূল্যবান সম্পদ হিচাপে বিবেচিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰি গোস্বামীৰ পৰিয়ালে বিশ্ববিদ্যালয়খনলৈ ৫০ লাখ টকা অনুদান আগবঢ়াইছে। এই বুজাবুজি চুক্তিৰ স্বাক্ষৰৰ সময়ত বিশ্ববিদ্যালয়খনৰ

উপাচাৰ্য ড° জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলাৰ অধ্যয়নকেন্দ্ৰৰ অধ্যক্ষ তথা অসমীয়া বিভাগৰ অধ্যাপক ড° পল্লৱী ডেকা বুজৰবৰুৱা আৰু কেশৱানন্দ দেৱ গোস্বামীৰ পৰিয়ালৰ সদস্য নিতু গোস্বামী উপস্থিত আছিল।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া কৃষি বিভাগৰ উদ্যোগত আৰু নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সহযোগত কালি নাহৰকটীয়াৰ সমজিলাৰ অন্তৰ্গত জামুগুৰি গাঁও পঞ্চায়তত কৃষি ৰাজহ আদালত অনুষ্ঠিত হয়। এই কৃষি ৰাজহ আদালতত অঞ্চলটোৰ বহু কৃষকে অংশগ্ৰহণ কৰাৰ লগতে অঞ্চলটোৰ কৃষকৰ সমস্যাসমূহ আলোচনা আৰু সমাধান কৰাৰ বাবে দিহা-পৰামৰ্শ গ্ৰহণ কৰা হয়।

০০০০০০

সমাগত দুৰ্গা পূজাৰ প্ৰস্তুতি আৰু সু-শৃংখলিত আয়োজনৰ উদ্দেশ্যে কালি গোলাঘাট জিলা প্ৰশাসন আৰু আৰক্ষীৰ উদ্যোগত গোলাঘাট জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গোলাঘাট আৰক্ষীৰ অধীক্ষক, পূজা সমিতিসমূহৰ প্ৰতিনিধি, জ্যেষ্ঠ নাগৰিক আৰু জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। এই বৈঠকত সকলো পূজা সমিতিক পূজা আয়োজন কৰাৰ বাবে আগতীয়া অনুমতিৰ বাবে অনলাইন আবেদন কৰিবলৈ আহ্বান জনায়। প্ৰতিখন সমিতিকে প্ৰশাসনৰ সৈতে মধ্যস্থতা কৰিবলৈ এজন দায়িত্বশীল ব্যক্তিক নিযুক্তি দি সংশ্লিষ্ট থানা বিষয়াৰ ওচৰত তেওঁৰ নাম আৰু যোগাযোগৰ তথ্য জমা দিবলৈ বৈঠকত আহ্বান জনায়। ৮ ছেপ্তেম্বৰৰ পৰা বছৰজোৰা কাৰ্যসূচীৰে হ'বলগীয়া বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ বিষয়েও বিশদভাৱে আলোচনা কৰা হয়। দুৰ্গা পূজাৰ আয়োজক সমিতিসমূহক শৃংখলাবদ্ধতাৰ প্ৰতি দায়বদ্ধ হ'বলৈ আহ্বান জনাই জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনাও জাৰি কৰে। পুৰুষ-মহিলা দৰ্শনাৰ্থীৰ বাবে পৃথকে প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা কৰাৰ বাবে আহ্বান জনায়। পূজাস্থলীত নিৰাপত্তা ৰক্ষী আৰু অগ্নি নিৰ্বাপকৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হয়। বিসৰ্জনৰ দিনা সকলো পূজা সমিতিয়ে বিসৰ্জন প্ৰক্ৰিয়া প্ৰশাসনৰ দ্বাৰা নিৰ্ধাৰিত ঘাটত বিয়লি ৫ বজাৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। ইতিমধ্যে জিলা প্ৰশাসনে বিসৰ্জনৰ বাবে ১০০টা ঘাট নিৰ্ধাৰণ কৰি দিছে। সকলো পূজাস্থলীতে চি চি টি ভি স্থাপন কৰাটো বাধ্যতামূলক কৰি দিয়া হৈছে।

০০০০০০

সমাপ্ত